# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 06-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ভ্ৰমণ কৰিব।

২। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সমবায় মন্ত্ৰালয়ৰ পঞ্চম প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব।

৩। কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত আজি আৰু কাইলৈ ব্ৰীকছ্ ৰাষ্ট্ৰৰ মাদক দ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠকৰ আয়োজন কৰা হৈছে।

৪। যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হ'ব। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ পাঁচবাৰৰ চেম্পিয়ন ব্ৰাজিলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি নৰৱেই প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ইণ্ডোনেছিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ভ্ৰমণ কৰিব। ত্ৰিদেশীয় ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি ইণ্ডোনেছিয়াত উপস্থিত হ'ব। এয়া হ'ব শ্ৰীমোদীৰ চতুৰ্থবাৰৰ বাবে ইণ্ডোনেছিয়া ভ্ৰমণ তথা ২০১৮ চনৰ মে'ত সংহত কৌশলগত অংশীদাৰিত্বলৈ দুয়োখন দেশৰ সম্পৰ্ক উন্নীত হোৱাৰ পাছত প্ৰথমটো দ্বিপাক্ষিক ভ্ৰমণ। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'অ' ছুবিয়াণ্ট'ৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে এই অংশীদাৰিত্বৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে মূলত জাকাৰ্টাত কেইবাটাও অনুষ্ঠানত ভাগ লোৱাৰ লগতে ইণ্ডোনেছিয়াৰ সাংস্কৃতিক আৰু ঐতিহাসিক চহৰ য়োগ্যাকাৰ্টা ভ্ৰমণ কৰিব। জাকাৰ্টাত শ্ৰীমোদীয়ে প্ৰবাসী ভাৰতীয়সকলক উদ্দেশি ভাষণ দিব।

উল্লেখযোগ্য যে ভাৰতৰ বাবে অন্যতম গুৰুত্বপূৰ্ণ সামুদ্ৰিক খণ্ড মালাক্কা প্ৰণালীৰ নিৰাপত্তা আৰু স্থিৰতাৰ ক্ষেত্ৰত ইণ্ডোনেছিয়াই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই প্ৰণালী ভাৰত মহাসাগৰীয় ৰাষ্ট্ৰ হিচাপে কেৱল ভাৰতৰ বাবেই নহয় বৰঞ্চ গোলকীয় অৰ্থনীতিৰ বাবেও অতি গুৰুত্বপূৰ্ণ।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী তিনিদিনীয়া কাৰ্যসূচীৰে ৮ জুলাইত মেলবৰ্নত উপস্থিত হ'ব। তাত তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজৰ সৈতে তৃতীয় ভাৰত-অষ্ট্ৰেলিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় বিশেষকৈ গুৰুত্বপূৰ্ণ খনিজ সম্পদ, চাইবাৰ সুৰক্ষা, যোগান শৃংখলা স্থিতিস্থাপতা, উন্নত প্ৰযুক্তি আদি সন্দৰ্ভত আলোচনা কৰা হ'ব। শ্ৰীমোদীয়ে লগতে ভাৰত-অষ্ট্ৰেলিয়া মুখ্য কাৰ্যবাহী বিষয়াৰ মঞ্চত অংশগ্ৰহণ কৰি দুয়োখন দেশৰ শীৰ্ষ ব্যৱসায় নেতাসকলক উদ্দেশি ভাষণ দিব।

ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত তেওঁ দুদিনীয়া সূচীৰে ১০ জুলাইত নিউজিলেণ্ডলৈ যাব। শ্ৰীমোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই বিগত ২ দুবছৰত বিশেষ অগ্ৰগতি লাভ কৰা বাণিজ্য-বিনিয়োগ আৰু প্ৰতিৰক্ষা খণ্ডকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে দেশখনৰ অগ্ৰণী ব্যৱসায় আৰু ক্ৰীড়াবিদসকলৰ সৈতে মত বিনিময় কৰিব। ভাৰত আৰু নিউজিলেণ্ডৰ জনসাধাৰণৰ মাজৰ শক্তিশালী সম্পৰ্ক প্ৰতিফলিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সমবায় মন্ত্ৰালয়ৰ পঞ্চম প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব। সহযোগিতাৰে সমৃদ্ধি দৃষ্টিভংগীৰে প্ৰতিষ্ঠা দিৱস সমাৰোহ উদযাপিত হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই উপলক্ষে শ্ৰীশ্বাহে বিভিন্ন পদক্ষেপ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ২৩১টা শস্য মজুত ভঁৰাল, সহকাৰ ভেনৰ ভূমি পূজন, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ কলাকৰ্ষণ চৌহদৰ ভূমি পূজন, ৰাষ্ট্ৰীয় সমবায় তথ্য আধাৰ- এন চি ডি-৩.০ৰ উদ্বোধন, ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন ব'ৰ্ডৰ দুগ্ধ যোগান পৰ্যালোচনা প'ৰ্টেল মুকলি আদি কাৰ্যসূচী আছে। এই অনুষ্ঠানতে ভাৰতীয় বীজ সহকাৰী সমিতি লিমিটেড আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ মাজৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব। ইয়াৰ জৰিয়তে বীজ ব্যৱস্থা আৰু দুগ্ধ উৎপাদন সমবায় সমিতিসমূহৰ বাবে আৰ্হি উপ-নিয়ম শক্তিশালী কৰি তোলাৰ লগতে মন্ত্ৰালয়ৰ সফলতাসমূহৰ বিষয়ে আলোকপাত কৰি এখন গ্ৰন্থ উন্মোচন কৰা হ'ব। মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং, ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মা, সমবায় ৰাজ্য মন্ত্ৰী কৃষণ পাল গুৰ্জৰ আৰু মুৰুলীধৰ মহল এই অনুষ্ঠানত উপস্থিত থাকিব। উল্লেখযোগ্য যে বিগত ৫ বছৰত মন্ত্ৰালয়ে প্ৰাথমিক কৃষি ঋণ সমিতি, সমবায় বেংক, দুগ্ধ সমবায়, নগৰীয়া সমবায়, ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমবায় প্ৰতিষ্ঠান আৰু বহুৰাজ্যিক সমবায় সমিতিসমূহৰ বাবে ভালেমান পৰিৱৰ্তন পদক্ষেপ গ্ৰহণ কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত আজি আৰু কাইলৈ ব্ৰীকছ ৰাষ্ট্ৰৰ মাদক দ্ৰব্য বিৰোধী সংস্থাসমূহৰ মুৰব্বীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। গৃহ মন্ত্ৰালয়ৰ অধীনৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত আয়োজিত এই বৈঠকত নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ আৰু ইয়াৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰ আৰু দেশৰ মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বী তথা জ্যেষ্ঠ বিষয়াসকলে মত প্ৰকাশ কৰিব। এই আলোচনাত মাদক দ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে চোৰাংচোৰাৰ তথ্য বিনিময় আৰু কাৰ্যকৰী সমন্বয় শক্তিশালী কৰা, সামৰ্থ বৃদ্ধি আৰু প্ৰতিষ্ঠানগত সহযোগিতা বৃদ্ধি আদি বিষয়ত গুৰুত্ব দিয়া হ'ব। বৈঠকত অংশগ্ৰহণকাৰীসকলে নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত দেখা দিয়া ডিজিটেল প্ৰযুক্তিৰ ব্যৱহাৰকে ধৰি ন-ন প্ৰত্যাহ্বান দূৰ কৰাৰ বিষয়েও আলোচনা কৰিব। ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ মাজত মাদকদ্ৰব্যৰ সৰবৰাহক লৈ সৃষ্টি হোৱা সমস্যা নিৰ্মূল কৰাৰ বাবে উমৈহতীয়া ঘোষণা পত্ৰ গ্ৰহণেৰে এই বৈঠকৰ সামৰণি পৰিব।

ooooo

যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হ'ব। ২১ দিনীয়া কাৰ্যসূচীৰে এই অধিৱেশন চলিব। ১০ জুলাইত ৰাজ্যখনৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। অধিৱেশনৰ সময়ছোৱাত মুঠ ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। অহা ৩১ জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব।

০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ পূৰ্বে কালি অসম মন্ত্ৰীসভাই জৰুৰীকালীন সেৱা শক্তিশালী কৰা, ঔদ্যোগিক বিকাশ তথা প্ৰশাসন ব্যৱস্থা উন্নত কৰাৰ লক্ষ্যৰে এলানি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। গুৱাহাটীত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত কয়, যে মন্ত্ৰীসভাই বিধানসভাৰ অধিৱেশনত উত্থাপন হ'বলগীয়া কেইবাখনো বিধেয়কত অনুমোদন জনায়। ইয়াৰ ভিতৰত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (স্থাপন আৰু পৰিচালন সুবিধা) বিধেয়ক ২০২৬, অসম জনবিশ্বাস বিধেয়ক ২০২৬, অসম পৰ্যটন (উন্নয়ন আৰু পঞ্জীয়ন সংশোধনী) বিধেয়ক ২০২৬ আৰু অসম ব্যৱসায় সুচলতা সংশোধনী বিধেয়ক ২০২৬ অন্যতম।

মন্ত্ৰীসভাই ১০০ কোটি টকা ব্যয় সাপেক্ষে সংহত জৰুৰীকালীন সঁহাৰি ব্যৱস্থাত অনুমোদন জনায়। ইয়াৰ জৰিয়তে ১১২ হেল্পলাইন নম্বৰত ফোন কৰি জনসাধাৰণে তাৎক্ষণিক সহায়ৰ বাবে অনুৰোধ জনাব পাৰিব। এই ব্যৱস্থাই আৰক্ষী, অগ্নিনিৰ্বাপক আৰু স্বাস্থ্য বিভাগৰ মাজত সহযোগিতা উন্নত কৰিব। মন্ত্ৰীসভাই লগতে পৰ্যটন, ঔদ্যোগিক বিকাশ, ভূমি প্ৰশাসন আৰু খনিজ সম্পদ ব্যৱস্থাপনাৰ ক্ষেত্ৰতো বহুকেইটা সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০

ভাৰতৰ অধ্যক্ষতাত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ মহিলা কাৰ্যগোটৰ দুদিনীয়া বৈঠক আজি কেৰালাৰ কোচিত আৰম্ভ হ'ব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, বৈঠকত ব্ৰীকছ সদস্য ৰাষ্ট্ৰৰ শীৰ্ষ চৰকাৰী বিষয়াসকলে অংশগ্ৰহণ কৰিব। বিষয়াসকলে বিভিন্ন খণ্ডত মহিলাৰ সৱলিকৰণ আৰু মহিলা নেতৃত্বাধীন বিকাশৰ সৈতে সম্পৰ্কিত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাত ভাগ লব।  উল্লেখযোগ্য যে ব্ৰীকছ মহিলা ট্ৰেকে ৪টা মুখ্য বিষয়ক অগ্ৰাধিকাৰ দিছে। এইসমূহ হৈছে প্ৰশাসন আৰু নেতৃত্বত মহিলা, মহিলাৰ ডিজিটেল আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণ, মহিলা উদ্যমিতা আৰু কৌশল বিকাশ তথা জলবায়ু কাৰ্যকৰিতা, খাদ্য সুৰক্ষা আৰু পৰিপুষ্টিৰ ক্ষেত্ৰত মহিলাৰ ভূমিকা।  এই বৈঠকে অহা ৮ আৰু ৯ জুলাইত হ'বলগীয়া ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ মহিলা মন্ত্ৰী পৰ্যায়ৰ বৈঠকৰ বাবে শক্তিশালী ভেটি গঢ়ি তুলিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

ভাৰতে ছুইজাৰলেণ্ডৰ জেনেভাত অনুষ্ঠিত হ'বলগীয়া গ্ৰাহক সুৰক্ষা আইন আৰু নীতি সম্পৰ্কে আন্তঃচৰকাৰী গোটৰ বিশেষজ্ঞ সকলৰ নৱম অধিৱেশনত অধ্যক্ষতা কৰিব। আজিৰে পৰা ৮ জুলাইলৈ এই অধিৱেশন অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰসংঘৰ বাণিজ্য আৰু উন্নয়ন- ইউ এন চি টি এ ডিৰ উদ্যোগত এই অধিৱেশনৰ আয়োজন কৰা হৈছে। সদস্য ৰাষ্ট্ৰ, আন্তঃৰাষ্ট্ৰীয় সংস্থা, গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষ, শিক্ষাবিদ আৰু অন্যান্য অংশীদাৰসকলক এই অধিৱেশনে একত্ৰিত কৰি লোৱা সুৰক্ষা আইন আৰু নীতি সম্পৰ্কীয় ন-ন বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ সুযোগ দিব বুলি গ্ৰাহক পৰিক্ৰমা আৰু খাদ্য তথা ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। আন্তঃচৰকাৰী বিশেষজ্ঞ গোট হৈছে গ্ৰাহক সুৰক্ষা আইন আৰু নীতি সম্পৰ্কে আলোচনাৰ মূল মঞ্চ। গ্ৰাহক সুৰক্ষা বিভাগৰ সচিব নিধি খাড়েই এই অধিৱেশনত অধ্যক্ষতা কৰিব। আন্তঃৰাষ্ট্ৰীয় গ্ৰাহক সুৰক্ষা ক্ষেত্ৰত ল'বলগীয়া অগ্ৰাধিকাৰমূলক ব্যৱস্থাসমূহৰ বিষয়ে এই তিনিদিনীয়া অধিৱেশনত অনুষ্ঠিত হ'বলগীয়া বিভিন্ন আলোচনা-বিলোচনাত সচিবগৰাকীয়ে অধ্যক্ষতা কৰিব।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত নৰৱেই পাঁচবাৰৰ বিশ্ব চেম্পিয়ন ব্ৰাজিলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ৰোমাঞ্চকৰ খেলখনৰ প্ৰথমাৰ্ধ গ'লশূন্যভাৱে পাৰ হয় যদিও খেলখনৰ দ্বিতীয়াৰ্ধত আৰ্লিং হালাণ্ডে ৭৯ আৰু ৯০ মিনিটত দুটাকৈ গ'ল দি নৰৱেক শক্তিশালী স্থিতিত উপনীত কৰায়। ইয়াৰ পাছত নেইমাৰ জুনিয়ৰে খেলৰ অন্তিম সময়ত এটা গ'ল দিয়ে যদিও ষষ্ঠবাৰৰ বাবে ব্ৰাজিলৰ বিশ্বকাপ জয়ৰ সপোন ইমানতে সামৰণি পৰে। ইপিনে নৰৱেৰ বিৰুদ্ধে পৰাজয়ৰ পাছতে নেইমাৰ জুনিয়ৰে আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ ঘোষণা কৰে।

ooooo

সমাপ্ত